# তেওঁৰ বেয়া শত্ৰুবোৰক দায়ূদে ক্ষমা দিছিল

ল'ৰা-ছোৱালীৰ বয়স আৰু প্ৰয়োজন অনুযায়ী কামবোৰ কৰক। আপুনি ভাল পোৱা যিকোনো ধৰণে কৰক।

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, পৱিত্ৰতা আৰু পৰিপূৰ্ণ হৈ আপোনাৰ দৰে আমি পৱিত্ৰ বোৱা আপোনাৰ ইচ্ছা। আপোনাৰ আত্মাৰ শক্তিৰে আপুনি বিচৰা ব্যক্তি হ'বলৈ দায়ূদৰ জীৱনৰ পৰা শিকিবলৈ আমাক সহায় কৰক। আমাৰ পাপ ক্ষমা কৰক আৰু দায়ূদৰ দৰে আনক ক্ষমা দিবলৈ আমাক সহায় কৰক, আমেন"।



**শিকাবলৈ যুগুত হওক**। প্ৰকাশিত বাক্য ৭ঃ৯-১৭, স্বৰ্গৰ বিষয়ে পঢ়ক, য'ত আমি বগা বস্ত্ৰ পৰিধান কৰিম।

এই ছবিখনত দিয়া দৰে এটা বস্ত্ৰ **আঁকিবলৈ** ল'ৰা-ছোৱালীক দিয়ক।

- তেওঁৰ পৱিত্ৰতা আৰু প্ৰেম আমাক কি দৰে পিন্ধাবলৈ ঈশ্বৰে ইচ্ছা কৰে তাকে এই বস্ত্ৰই বুজায়।
- ঈশ্বৰে আমাক বগা বস্ত্ৰ দিব যিহে তেওঁৰ দৃষ্টিত কেনেকৈ আমাক পৱিত্ৰ, নিৰ্ম্মল আৰু ভাল বুলি বুজায়।
- তেওঁৰ শত্ৰু চৌলক কেনেকৈ দায়ূদে ক্ষমা কৰিলে, সেই বিষয়ে পঢ়ক অথবা মুখস্থ কৰক। (১ চমূৱেল ২৪ঃ১-২২)।
- এই গল্পটি মুখস্থ ক'বলৈ এটি ল'ৰা/ছোৱালীক আগতীয়াকৈ প্ৰস্তুত কৰক।
- দায়ূদে কেনেকৈ সন্মানেৰে তেওঁৰ শত্ৰুবিলাকক সহাঁৰি দিছিল সেই কথা বিচাৰি উলিয়াবলৈ গল্পটি কোৱাৰ আগেয়ে ল'ৰা-ছোৱালীবিলাকক সাৰধানে শুনিবলৈ কওক।

**ল'ৰা-ছোৱালীবিলাকক প্ৰশ্ন কৰক ঃ**

- দুষ্ট ৰজা চৌলে দায়ূদক কি কৰাটো বিচাৰিছিল?
- তেওঁৰ শত্ৰু ৰজা চৌলক বধ কৰিবলৈ দায়ূদে কি সুযোগ পাইছিল?
- তেওঁৰ শত্ৰুক দায়ূদে প্ৰতিশোধ ল'লেনে?
- নিজে ইস্ৰায়েলৰ ৰজা হ'বলৈ দায়ূদে বলপূৰ্ব্বক চেষ্টা কৰিছিলনে?
- দায়ূদে তেওঁৰ জীৱন ৰক্ষা কৰাৰ পিছত, তেওঁ কেনে ধৰণৰ ব্যক্তি আছিল বুলি চৌলে কৈছিল?
- দায়ূদক বধ কৰাৰ চেষ্টা কৰাৰ পিছত, চৌলে কিয় দুখিত হৈছিল?

সৰু ল'ৰা-ছোৱালীক **মথি ৫ঃ৪৪** মুখস্থ কৰিবলৈ কওক।

ডাঙৰ ল'ৰা-ছোৱালীক **গালাতীয়া ৫ঃ২২-২৩** মুখস্থ কৰিবলৈ কওক।

**পদ্য** - গীতমালা ১৫ঃ১,২ আৰু ৩ তিনিগৰাকী ল'ৰা-ছোৱালীক আবৃতি কৰিবলৈ কওক।

**নাটক কৰি দেখুৱাওক** -দায়ূদে চৌলক ক্ষমা কৰা ( ১ চমূৱেল ২৪ অধ্যায়)

- উপাসনাৰ সময়ত মণ্ডলীৰ আনলোকৰ আগত দেখুৱাবলৈ নাটকৰ আখৰা কৰক।
- এই সময়খিনি ল'ৰা-ছোৱালীৰ শিকোৱাৰ সময় হওক।
- সম্ভৱ হ'লে, এজনে বা দুজনে সৈনিক হিচাবে ল'ৰা-ছোৱালীৰ লগত যোগ দিবলৈ কওক।
- চৌল অথবা দায়ূদ অথবা সৈনিকবোৰে কি কৈছিল- যদি ল'ৰা-ছোৱালীয়ে নিজে চিন্তা কৰি ক'ব পাৰে, তেনেহ'লে তলত লিখা খিনিতে তেওঁলোকে কোৱা কথাত সীমিত নহ'লেও হ'ব। চৌল আৰু দায়ূদে কোৱা কথা সিহঁতৰ নিজৰ কথাৰে ক'বলৈ কওক।

- ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক প্ৰস্তুত কৰক।
- নাটকখন দেখুউৱাৰ পিছত, ডাঙৰ সকলক প্ৰশ্ন সুধিবলৈ ল'ৰা-ছোৱালীক কওক।
- ডাঙৰ ল'ৰা-ছোৱালী (অথবা পুৰুষক) এই অংশৰ ভাগ লবলৈ দিয়ক।

  **চৌল** - এখন চাদৰ অথবা কম্বল লৈ 'ৰাজ সাজ' পিন্ধক।

  **দায়ূদ** - (বয়সীয়া ল'ৰাই এই ভাগ লওক)। এটুকুৰা কাঠৰ অথবা ডাঠ কাগজেৰে এখন তৰোৱাল তৈয়াৰ কৰক আৰু চৌলৰ ৰাজ পোছাক ৰংৰ এটুকুৰা কাপোৰ লওক। কাপোৰ টুকুৰা আপোনাৰ হাতত লুকুৱাই ৰাখক যেতিয়ালৈকে আপুনি চৌলৰ পোছাকৰ এটুকুৰা কাটি লোৱাৰ নিচিনা নকৰালৈকে।
- চৌলৰ সৈন্য (সৰু ল'ৰা-ছোৱালীয়ে অংশ লওক; এটা বয়সীয়া অথবা এজন পুৰুযেও এজন সৈন্য হ'ব পাৰে)।
- দায়ূদৰ সৈন্যসমূহ (সৰু ল'ৰা-ছোৱালী; এজন বয়সীয়া লৰাইও ইয়াত যোগ দিব পাৰে)।

## নাটক

**দায়ূদৰ আৰু তেওঁৰ সৈন্যসমূহ** ঃ চৌলৰ পৰা লুকাই থাকে। কোঠাটোৰ এফালে থকা চকীবোৰৰ পিছফালে (যেন জোপোহা গছৰ আৰতহে আছে) চাপৰি থাকক।

**চৌল** ঃ দায়ূদে লুকাই থকা ঠাইৰ ফালে সৈন্যবিলাকক চলাই নিয়ক কিন্তু অন্য ফাললৈ চাই থাকক। চিঞৰা, "শুনা, মোৰ সাহসী সৈন্য সমূহ! মই দায়ূদক ঘিণ কৰোঁ। মোতকৈ তেওঁকহে প্ৰশংসা কৰে! কিন্তু মই ৰজা! মই ৰজা চৌল! যোৱা দায়ূদক বিচাৰি বধ কৰা! এতিয়াই তেওঁক বধ কৰা!

**চৌলৰ সৈন্যসমূহ** ঃ মহাৰাজ চৌল চিৰজীৱি হওক। হয় মহাশয়! হয়, মহাৰাজৰ জয় হওক।

"আমি তাক বধ কৰিম! আহাঁ, ামি এই বাটেৰে যাওঁ। (দায়ূদ আৰু তেওঁৰ সৈন্যবিলাকৰ পৰা আঁতৰি যোৱা। দায়ূদক বিচাৰি চাৰিওফালে চোৱা। চৌল য'তে আছিল তাতে থাকিব)।

**চৌল** ঃ তোমাৰ ৰাজপোছাক খুলি ওচৰতে ৰাখা। ৰাজপোছাকলৈ মুখ কৰি বহা আৰু চকু মুদি থাকা। টোপনি যোৱাৰ ভাও ধৰি মূৰ দুপিয়াই থাকা।

**দায়ূদৰ সৈন্যসমূহ** ঃ "দায়ূদ চোৱা! তোমাৰ শত্ৰু চৌলে জিৰনি লৈছে। যোৱা, তেওঁক বধ কৰাগৈ"।

**দায়ূদ** ঃ হাতত তৰোৱাল লৈ চৌলৰ পিছফালে মনে মনে গৈ থাকা।

**দায়ূদৰ সৈন্যসমূহ** ঃ "বধ কৰক, তৎক্ষণাত! তেওঁ আপোনাৰ শত্ৰু"।

**দায়ূদ** ঃ নহয়, মই তেওঁক বধ কৰিব নোৱাৰোঁ। ইস্ৰায়েলৰ লোকবিলাকৰ ওপৰত ঈশ্বৰে মনোনীত কৰা তেওঁ শাসনকৰ্ত্তা।

**দায়ূদৰ সৈন্যসমূহ** ঃ "এতিয়াই বধ কৰক! সুযোগ পাওঁতেই বধ কৰক।"

**দায়ূদ** ঃ চৌলৰ পোছাকৰ এটুকুৰা কাটি লোৱাৰ ভাও ধৰিব, নিজৰ সৈন্যসমূহলৈ উলটি গৈ চৌলক চিঞৰি মাতিব, "চাওঁক, মোৰ মহাৰাজ! আপোনাৰ চোলাৰ এটুকুৰা মোৰ হাতত! মই কাটি ল'লো, কিন্তু আপোনাক বধ নকৰিলো। চাওক মই কোনো ভুল কাম কৰি দোষী নহয়। মই আপোনাক বধ নকৰিলো। কিন্তু মো মাৰিবলৈ আপুনি বিচাৰি ফুৰিলে।

**চৌল** ঃ দায়ূদ মোৰ পুত্ৰ, সেয়ে তুমিয়েই নে? মই অতি দুখিত।

(চকুৰ পানী মচে।) তুমি মোতকৈ ধাৰ্ম্মিক। তুমি মোক ভাল ব্যৱহাৰ কৰিলা, কিন্তু মই হ'লে তোমাক বেয়া ব্যৱহাৰ কৰিলোঁ। তোমাৰ হাতত ঈশ্বৰে মোক দিয়া সত্বেও তুমি মোক বধ নকৰিলা। এতিয়া মই বুজিব পাৰিছোঁ যে তুমি সঁচাকৈয়ে ইস্ৰায়েলৰ ৰজা হ'ব পাৰিবা!"

**ডাঙৰ ল'ৰা-ছোৱালীবিলাকক আনক ক্ষমা দিয়াৰ পদ্য ৰচনা কৰিবলৈ কওক।**

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net